# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-APR-2026
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১।  পশ্চিমবংগ বিধানসভাৰ ১৫২ টা আৰু তামিলনাডুৰ ২৩৪টা সমষ্টিৰ বাবে ভোটগ্ৰহণ অব্যাহত।
২।  ৪ মে’ত হ’বলগীয়া ভোটগণনাৰ বাবে পৰহিলৈ গুৱাহাটীত প্ৰথমখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা।
৩।  বিগত ৪৮ ঘণ্টাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধুমুহা-বৰষুণৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি।
৪।  বিশিষ্ট সাংবাদিক, নিবন্ধকাৰ নিত্য বৰাৰ আজি শেষকৃত্য।  *আৰু*
৫।  আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ ৪০ ৰানত জয়লাভ।

০০০০০০

পশ্চিমবংগ বিধানসভাৰ প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱা ৭ বজাত আৰম্ভ হৈছে। সন্ধিয়া ৬ বজাত ভোটগ্ৰহণৰ সামৰণি পৰিব। প্ৰথম পৰ্যায়ত ১৬ খন জিলাৰ ১৫২টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। জিলাসমূহ হৈছে– দাৰ্জিলিং, কালিম্পং, জলপাইগুৰি, আলিপুৰদুৱাৰ, কোচবিহাৰ, উত্তৰ আৰু দক্ষিণ ডিনাজপুৰ, মালডা, মুৰ্শিদাবাদ, বীৰভুম, পশ্চিম বৰ্ধমান, পুৰুলীয়া, বানকুৰা, ঝাৰগ্ৰাম, পশ্চিম মেদিনীপুৰ আৰু পূব মেদিনীপুৰ। এই পৰ্যায়ৰ নিৰ্বাচনত এহেজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। ১৫২টা সমষ্টিত ৪৪ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু ইয়াৰে ৭ হাজাৰ ৩৮৪ অতি স্পৰ্শকাতৰ নাইবা জটিল বুলি চিনাক্ত কৰা হৈছে। ভোট কেন্দ্ৰসমূহৰ ভিতৰত ৫ হাজাৰ ৪৪৪টা ভোটকেন্দ্ৰ মহিলাই পৰিচালনা কৰিছে। ৰাজ্যখনত ৩ কোটি ৬০ লাখৰো অধিক ভোটদাতাই আজি গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিছে।

নিৰ্বাচন আয়োগে এই ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনাৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ দুহেজাৰ ৪০৭টা কোম্পানীৰ ২ লাখ ৪০ হাজাৰৰো অধিক জোৱান নিয়োগ কৰিছে। তদুপৰি দ্ৰুত সঁহাৰি দলো ভোটকেন্দ্ৰসমূহত নিয়োগ কৰা হৈছে। ভোটগ্ৰহণৰ সময়ছোৱাত যিকোনো ওজৰ-আপত্তিৰ বাবে আয়োগে ১৮০০৩-৪৫০০০৮ টোল ফ্ৰি নম্বৰ আৰু ই-মেইল আইডি মুকলি কৰিছে। আটাইবোৰ ভোটগ্ৰহণ কেন্দ্ৰতে ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰাৰ লগতে ভোটদাতাসকলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা ৰখা হৈছে। ভোট কেন্দ্ৰসমূহৰ বাহিৰত মোবাইল ফোন ৰখাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০

তামিলনাডু বিধানসভাৰ ২৩৪ খন আসনৰ বাবে আজি পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হৈছে আৰু সন্ধিয়া ৬ বজাত ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ অন্ত পৰিব। অৱশ্যে ৬ বজাৰ পূৰ্বে শাৰীত থিয় হৈ থকা ভোটদাতাসকলক নিৰ্ধাৰিত সময়ৰ পাছতো ভোটদান কৰিবলৈ দিয়া হ’ব। আজিৰ ভোটগ্ৰহণত ৫ কোটি ৭৩ লাখৰো অধিক ভোটদাতাই ৪ হাজাৰ ২৩ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ৰাজ্যখনৰ মুখ্য নিৰ্বাচনী বিষয়া অৰ্চনা পাটনায়েকে প্ৰকাশ কৰা মতে ভোটগ্ৰহণ শান্তিপূৰ্ণ, সুশৃংখল আৰু নিয়াৰিকৈ পৰিচালনাৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাজ্যখনত ৭৫ হাজাৰৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে

কমেও ৮৪ হাজাৰ আৰক্ষীৰ লোক নিয়োগ কৰাৰ লগতে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু চি আৰ পি এফৰ ৩০০টা কোম্পানী নিয়োগ কৰা হৈছে।

০০০০০০

নিৰ্বাচন আয়োগে ৪ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে পৰহিলৈ গুৱাহাটীত প্ৰথমখন ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰিব। এই কৰ্মশালাত ৰাজ্যৰ প্ৰতিখন জিলাৰ আয়ুক্ত, প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে নিয়োজিত ৰিটাৰ্নিং বিষয়া আৰু জিলা নিৰ্বাচন বিষয়াসকল উপস্থিত থাকিব। পৰৱৰ্তী পৰ্যায়ত ২৭ এপ্ৰিলৰ পৰা জিলাই জিলাই ভোটগণনাকাৰী বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব। ভোটগণনাৰ সময়ত প্ৰতিখন গণনা মেজত ন্যূনতম তিনিজনকৈ বিষয়া থাকিব জিলা সদৰসমূহত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ কাষতে সাজু কৰা প্ৰতিটো গণনা কক্ষৰ বাবে নিয়োজিত মাইক্ৰ' অবজাৰ্ভাৰ সকলো গণনা কাৰ্যত উপস্থিত থাকিব। তদুপৰি ডাক বেলট গণনাৰ বাবে সুকীয়া কক্ষ থাকিব। প্ৰতিটো বিধানসভা সমষ্টিৰ ডাক বেলট গণনাৰ বাবে গণনা কক্ষসমূহত সুকীয়াকৈ ছখন পৰ্যন্ত মেজ ৰখাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে সংশ্লিষ্ট বিষয়াসকলক জিলা পৰ্যায়ত প্ৰশিক্ষণ দিয়া হ'ব।

ইপিনে, ভোটগণনা প্ৰক্ৰিয়া যাতে সুচাৰুৰূপে সম্পন্ন হয়, তাৰবাবে বিশেষ সতৰ্কতা অৱলম্বন কৰা হৈছে।

লখিমপুৰ জিলাত কালি ভোটগণনাত জড়িত হ'বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণত সমগ্ৰ প্ৰক্ৰিয়া নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে সকলো দিশ চালি জাৰি চোৱা হয়।

শ্ৰীভূমি জিলাৰ ৪ টা বিধানসভা সমষ্টিত ভোটগণনাৰ বাবে জিলা নিৰ্বাচনী বিষয়াই দুটা পৃথক আদেশযোগে মাইক্ৰ'অবজাৰভাৰ গণনা পৰ্যবেক্ষক আৰু গণনা সহকাৰী নিয়োগ কৰি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি কাইলৈ আৰু ২৭ এপ্ৰিলৰ দিনৰ ১১ বজাৰ পৰা জিলা গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত তেওঁলোকৰ প্ৰশিক্ষণ অনুষ্ঠিত হ'ব।

শিৱসাগৰ জিলাত কালি জিলা আয়ুক্ত মৃদুল যাদৱৰ অধ্যক্ষতাত ভোটগণনা প্ৰক্ৰিয়াৰ প্ৰস্তুতি সন্দৰ্ভত এখন বৈঠক অনুষ্ঠিত হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষক পাপৰি চেতিয়াৰ উপস্থিতিত ভোটগণনাত নিয়োজিত কৰা বিষয়াসকলক প্ৰয়োজনীয় প্ৰশিক্ষণ প্ৰদান কৰা হয়। জিলা আয়ুক্তই তেঁওলোকক নিজ নিজ কৰ্তব্য নিষ্ঠা আৰু দায়িত্ব সহকাৰে পালন কৰিবলৈ আহ্বান জনায়।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিগত ৪৮ ঘণ্টাত ধুমুহা-বৰষুণৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হয়। লখিমপুৰ জিলাৰ নাওবৈচাত বজ্ৰ পৰি দুগৰাকী মহিলাৰ প্ৰাণহানি হোৱাৰ লগতে কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৱাত এজন মটৰ চাইকেল আৰোহীৰ মৃত্যু হোৱা বুলি তথ্য পোৱা গৈছে। ধেমাজি জিলাৰ জোনাইত বজ্ৰ পৰি পাঁচটা পশুধনৰ মৃত্যু হয়। শিৱসাগৰ জিলাৰ আমগুৰি আৰু হালোৱাটিঙত ধুমুহাৰ ফলত ৬১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত গছ উভালি পৰাৰ লগতে হালোৱাটিঙৰ বিভিন্ন ঠাইত গছ উভালি পৰাৰ ফলত সাময়িকভাৱে বিদ্যুৎ সংযোগ বিচ্ছিন্ন হয়। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত ধুমুহাৰ ফলত বিস্তৰ ক্ষতি হয়। চুপাৰিঘাট অঞ্চলত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত উভালি পৰা প্ৰকাণ্ড গছত খুন্দা মৰাৰ ফলত এজন মটৰ চাইকেল আৰোহীৰ মৃত্যু হয়। আনহাতে, আন এখন বাহনৰ চালকৰ কথমপি প্ৰাণ ৰক্ষা পৰে। পথটোৰে বহু সময় যোগাযোগ ব্যাহত হয়। বৰপেটা জিলাৰ সৰ্থেবাৰীৰ বিভিন্ন অঞ্চলত কালি গধুলি প্ৰচণ্ড ধুমুহা আৰু শিল বৰষুণে বিস্তৰ ক্ষতি কৰে। নলবাৰী জিলাৰো পশ্চিম নলবাৰীৰ কেইবাটাও অঞ্চলত ধুমুহা আৰু শিল বৰষুণৰ ফলত ক্ষয়-ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। হাৰিঘাটা অঞ্চলৰ এটা বাসগৃহ ধুমুহাত ধ্বংস হয়।

ইপিনে, অসম, মেঘালয় আৰু নাগালেণ্ডত বিগত কিছু দিনত ৫৭ শতাংশতকৈ অধিক বৰষুণ হোৱা বুলি বতৰ বিজ্ঞান বিভাগৰ তথ্যত প্ৰকাশ পাইছে। পৰৱৰ্তী কেইটামান দিনলৈ ৰাজ্যখনত বৰষুণ অব্যাহত থাকিব বুলিও কোৱা হৈছে।

অসমত যোৱা ১ মাৰ্চৰ পৰা কালি পৰ্যন্ত পূৰ্বৰ ১৯১ দশমিক ৪ মিলিমিটাৰ বৰষুণৰ পৰিৱৰ্তে ৩০০ দশমিক ২ মিলিমিটাৰ বৰষুণ হোৱা বুলি বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰিছে। একেদৰে মেঘালয়তো পূৰ্বতকৈ ২৬ শতাংশ অধিক আৰু নাগালেণ্ডত ১৯ শতাংশ অধিক বৰষুণ হোৱা বুলি প্ৰকাশ পাইছে।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত আজি পুনৰ শুনানি অনুষ্ঠিত হ'ব। অভিযুক্ত মহন্তৰ জামিন আবেদন সন্দৰ্ভত কালি আদালতে শুনানি গ্ৰহণ কৰে যদিও সময়ৰ অভাৱত সেয়া সম্পূৰ্ণ নোহোৱাৰ বাবে আজি পুৱাৰ ভাগৰ পৰা পুনৰ শুনানি অনুষ্ঠিত হ'ব। কালিৰ এই শুনানি সন্দৰ্ভত এগৰাকী চৰকাৰী অধিবক্তাই এইদৰে কয়–

**বাইট (অধিবক্তা)**

০০০০০০

ৰাজ্যৰ বিশিষ্ট সাংবাদিক, অসমীয়া প্ৰতিদিন কাকতৰ প্ৰাক্তন সম্পাদক, নিৱন্ধকাৰ নিত্য বৰাৰ শেষকৃত্য আজি দিনৰ ১১ বজাত নৱগ্ৰহ শ্মশানত সম্পন্ন কৰা হ'ব। ইয়াৰ আগেয়ে দিনৰ ১০ বজা পৰ্যন্ত বৰাৰ গান্ধীবস্তি বাসগৃহত গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে কালি যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত জ্যেষ্ঠ সাংবাদিকগৰাকীৰ দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি সাংবাদিকগৰাকী চিকিৎসাধীন হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮২ বছৰ। ১৯৪৪ চনৰ ১ ছেপ্তেম্বৰত শোণিতপুৰ জিলাৰ জামুগুৰিহাটত জন্মগ্ৰহণ কৰা বৰাই কেইবাখনো গ্ৰন্থ ৰচনা আৰু সম্পাদনা কৰিছিল। ২০১৮ চনত অসম সাহিত্য সভাই তেওঁক লক্ষ্মীনাথ ফুকন সাংবাদিকতা বঁটাৰে সন্মানিত কৰিছিল। সাংবাদিকগৰাকীৰ নশ্বৰ দেহ কালি নিশাৰ ভাগত গুৱাহাটীলৈ অনা হয়। তেওঁৰ মৃত্যুত সংবাদজগতৰ সৈতে জড়িত বিশিষ্ট ব্যক্তিসকলৰ লগতে বহু লোকে শোক প্ৰকাশ কৰিছে। সাংবাদিকগৰাকীৰ দেহাৱসান সন্দৰ্ভত আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰাই এইদৰে কয় –

**বাইট**

০০০০০০

চিৰাং জিলাৰ ৰুণীখাটাত সংঘটিত হিংসাত্মক ঘটনা সন্দৰ্ভত আজি দিনৰ ১১ বজাৰ পৰা সাক্ষ্য আৰু জবানবন্দী গ্ৰহণ কৰা হ'ব। এই ঘটনাৰ জিলা দণ্ডাধীশ পৰ্যায়ৰ তদন্ত ঘোষণা কৰাৰ পাছতে চিৰাং জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ সংগীতা সৰকাৰে জাৰি কৰা নিৰ্দেশ অনুসৰি ঘটনা সন্দৰ্ভত সাক্ষ্য বা জবানবন্দী দিব বিচৰা যিকোনো ব্যক্তি অথবা গোট, অনুষ্ঠান আদিয়ে আজি তেওঁৰ ওচৰত জবানবন্দী দিব পাৰিব। ইচ্ছুকসকলে বিয়লি ৩ বজাৰ ভিতৰত ৰুণীখাটা বন সংমণ্ডলৰ কাৰ্যালয়ৰ বিপৰীতে থকা বন পৰিদৰ্শন বাংলোত অতিৰিক্ত জিলা দণ্ডাধীশগৰাকীৰ ওচৰত সাক্ষ্য প্ৰদান কৰিব পাৰিব। উল্লেখযোগ্য যে যোৱা ১৭ এপ্ৰিলত সংঘটিত অপ্ৰীতিকৰ ঘটনা সন্দৰ্ভত এই পৰ্যন্ত ২২ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

ইপিনে, ৰুণীখাটা বন সংমণ্ডল কাৰ্যালয়ত সংঘটিত এই অপ্ৰীতিকৰ ঘটনাক লৈ বিভিন্ন দল সংগঠনে অসন্তুষ্টি ব্যক্ত কৰিছে। অসম চাওতালী সাহিত্য সভাই এই ঘটনাক কঠোৰ ভাষাৰে গৰিহণা দিয়াৰ লগতে ঘটনাটো অতিকৈ দুৰ্ভাগ্যজনক আৰু কোনো কাৰণতে গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰে।

০০০০০০

মণিপুৰৰ থৌবাল জিলাত থকা খেবাছিঙৰ যুদ্ধ স্মাৰকত আজি খংজম দিৱস পালন কৰা হ'ব। ১৮৯১ চনত ইংৰাজৰ বিৰুদ্ধে খংজমত হোৱা যুদ্ধত চৰম বলিদান দিয়া সাহসী মণিপুৰী যোদ্ধাসকলৰ স্মৃতিত প্ৰতিবছৰে ২৩ এপ্ৰিলত এই দিৱস পালন কৰা হয়। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা আৰু মুখ্যমন্ত্ৰী য়ুমনাম খেমচান্দ সিঙে আজি এই দিৱসৰ কাৰ্যসূচীত অংশ লৈ যুদ্ধ স্মাৰকত শ্বহীদসকলৰ প্ৰতি পুষ্পমাল্য তৰ্পণ কৰিব। ইয়াৰ পাছতে তোপধ্বনিৰে বীৰ জোৱানসকলক সন্মান জনোৱা হ'ব। তদুপৰি এই যুদ্ধৰ স্মৃতিত খংজম নৈত তৰ্পণ কাৰ্যসূচী আৰু

এখন নাট মঞ্চস্থ কৰা হ'ব। অনুষ্ঠান নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে অঞ্চলটোত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথসমূহতো জনসাধাৰণৰ সুবিধা হোৱাকৈ সুৰক্ষা ব্যৱস্থা কৰা হৈছে। ৰাজ্যখনত কেইবাটাও সংগঠনে বন্ধ কাৰ্যসূচী ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা লোৱা হৈছে। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীত অংশ ল'বলৈ আগ্ৰহীসকলৰ সুবিধাৰ্থে বিশেষ বাছ চলাচলৰো ব্যৱস্থা কৰিছে। উল্লেখযোগ্য যে ১৮৯১ চনৰ এই যুদ্ধত মণিপুৰী যোদ্ধাসকলে ইংৰাজৰ বিৰুদ্ধে ৮ খন যুদ্ধক্ষেত্ৰত যুঁজ দিছিল আৰু খংজমৰ অন্তিমখন যুদ্ধক্ষেত্ৰত দিয়া যুঁজৰ ফলত ৰাজ্যখনে সফলতা লাভ কৰিছিল।

০০০০০০

অসম আদিত্যৰ মুখ্য সম্পাদক তথা বিশিষ্ট চিকিৎসক, সাহিত্যিক নিৰ্মল চাহেৱালাক কালি জ্যোতিপ্ৰতাপ জ্ঞানমাৰ্গ বিদ্যালয়ৰ তৰফৰ পৰা স্বাস্থ্য ৰত্ন বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে যোৱা ২৯ মাৰ্চত বিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকিব নোৱাৰাৰ বাবে কালি তেওঁক এই সন্মান প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানত কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

শ্ৰীভূমি জিলাৰ কানিশাইল অঞ্চলত কালি হোৱা এটা পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে এখন মটৰচাইকেলে ৰাষ্ট্ৰীয় পথৰ দাঁতিত ৰৈ থকা এখন ট্ৰাকত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত লোকজনক সংকটজনক অৱস্থাত শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৪০ ৰানত পৰাস্ত কৰে। টছত জিকি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত লয়। ৰাজস্থানে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌৱে ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ৰবীন্দ্ৰ জাডেজাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

পশ্চিমবংগ আৰু তামিলনাডুত আজি বিধানসভা নিৰ্বাচন, বিশিষ্ট সাংবাদিক-সাহিত্যিক নিত্য বৰাৰ দেহাৱসান, ইৰানৰ সৈতে অনিৰ্দিষ্টকালীন যুদ্ধ বিৰতি ঘোষণা ট্ৰাম্পৰ আদি বিভিন্ন বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ পাইছে।

প্ৰগতিশীল সাংবাদিকতাৰ ধ্বজাবাহী, বলিষ্ঠ লেখক, সম্পাদক নিত্য বৰাৰ দেহাৱসানৰ বাতৰিক আজি প্ৰকাশিত কাকতসমূহে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে **চিন্তাৰ বাট কাটি চিন্তানায়কৰ বিদায়, নিয়মীয়া বাৰ্তা কাকতে বিশিষ্ট নিবন্ধকাৰ, সাংবাদিক নিত্য বৰাৰ দেহাৱসান** শিৰোনামেৰে এই বাতৰি প্ৰকাশ কৰিছে।

**জে ই ইত ৯৯ শতাংশ নম্বৰ লাভৰ পাছতো আই আই টিত পছন্দৰ পাঠ্যক্ৰমত নামভৰ্তিৰ সুযোগ নাই** এই শিৰোনামেৰে বাতৰি এটা দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে লগতে **বিৰোধীয়ে নাৰী সমাজক অপমান কৰিলে** বুলি নাৰী শক্তি বন্দন বিধেয়ক গৃহীত নোহোৱাত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰা মন্তব্যৰ বাতৰি  প্ৰকাশ কৰিছে।

পাকিস্তানৰ অনুৰোধত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ সৈতে অনিৰ্দিষ্টকালৰ বাবে যুদ্ধ বিৰতি ঘোষণা কৰাৰ বাতৰি দি আছাম ট্ৰিবিউন - **TRUMP INDEFINITELY EXTENDS CEASEFIRE WITH IRAN** এই শিৰোনামেৰে প্ৰকাশ কৰিছে।

পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি বিভিন্ন স্থানত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰাৰ বাতৰি আমাৰ অসম কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে ধাৰাবাহিকভাৱে ৰূপায়ণ কৰি অহা বিভিন্ন আঁচনিৰ উপৰি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ আন্তঃগাঁথনিৰ বাবে ড'নাৰ মন্ত্ৰালয়ে আবণ্টন দিয়া প্ৰায় ১০ হেজাৰ কোটি চকা অব্যৱহৃত হৈ পৰি ৰোৱাত কেন্দ্ৰীয় চৰকাৰে উদ্বেগ প্ৰকাশ কৰাৰ বাতৰিক অসমীয়া খবৰ কাকতখনে শিৰোনামৰ বাতৰি হিচাপে প্ৰকাশ কৰিছে।

উত্তৰ-পূবৰ তিনিখন ৰাজ্য অসম, মেঘালয় আৰু নাগালেণ্ডত চলিত প্ৰাক মৌচুমী বতৰত স্বাভাৱিকতকৈ ৫৭ শতাংশ অধিক বৰষুণ হোৱাৰ বাতৰি দা ছেণ্টিনেল কাকতখনে তথ্য সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দুৰাৰোগ্য ৰোগ-আৰ্থিক অনাটনত মানসিকভাৱে ভাগি পৰি কলাইগাঁৱত পত্নীৰ সৈতে এগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকে আত্মহত্যাৰ বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

প্ৰবীন সাংবাদিক সুকুমাৰ বাগচীৰ দেহাৱসানৰ বাতৰিক দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলতে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**